**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ দ্বাৰভাংগাত ১২ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে পৰ্যটনৰ উন্নয়নে কেৱল ঐতিহ্যক আগবঢ়াই নিয়াই নহয়, বৰঞ্চ ই যুৱ সম্প্ৰদায়ৰ বাবে বৃহৎ পৰিমাণৰ নিয়োগৰ সুবিধাও সৃষ্টি কৰে।

৩। অসমৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সুকলমে চলি আছে।

৪। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি ৪৩ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে।

আৰু

৫। ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে আজি জাপান মাষ্টাৰ্ছ ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ্‌ত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ দ্বাৰভাংগাত ১২ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ৰাজ্যখনৰ স্বাস্থ্য আন্তঃগাঁথনি খণ্ডক বিশেষ মাত্ৰা প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে আজি দ্বাৰভাংগাত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান- এইমছৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে এনেদৰে কয়–

বাইট

উল্লেখযোগ্য যে এহেজাৰ ২৬০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এই এইমছৰ প্ৰতিষ্ঠানৰ চৌহদটো অত্যাধুনিক ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু আয়ুষ মণ্ডল, চিকিৎসা মহাবিদ্যালয়, নাৰ্ছিং মহাবিদ্যালয়, নৈশ আশ্ৰয় গৃহ আৰু অন্য আবাসীক সুবিধাৰে সমৃদ্ধ হ'ব। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে দ্বাৰভাংগাত এইমছৰ নিৰ্মাণ কাৰ্য তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। ইয়াৰ পৰা মিথিলাঞ্চলৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ হ'ব।

শ্ৰী মোদীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'ল ষ্টেচনত স্থাপন কৰা ১৮টা প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি কেন্দ্ৰ মুকলি কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে দ্বাৰভাংগাৰ পৰাই জনঔষধি কেন্দ্ৰসমূহৰ লগতে তেওঁ প্ৰায় ১২ হাজাৰ কোটি টকাৰ আন ভালেমান উন্নয়নমূলক প্ৰকল্পও উদ্বোধন কৰে। উল্লেখযোগ্য যে ৰে'ল ষ্টেচনসমূহত স্থাপন কৰা এই কেন্দ্ৰসমূহে ৰে'লযাত্ৰীসকলৰ বাবে বহনসাধ্য ঔষধ সহজলভ্য হৈ উঠাটো সুনিশ্চিত কৰাৰ লগতে ইয়াৰ ফলত জেনেৰিক ঔষধৰ বিষয়ে সজাগতাও বৃদ্ধি পাব।

প্ৰধানমন্ত্ৰীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ খণ্ডৰ আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি তেওঁ ছহেজাৰ ৮০০ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰে'ল প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে পৰ্যটনৰ উন্নয়নে কেৱল ঐতিহ্যক আগবঢ়াই নিয়াই নহয়, বৰঞ্চ ই যুৱ সম্প্ৰদায়ৰ বাবে বৃহৎ পৰিমাণৰ নিয়োগৰ সুবিধাও সৃষ্টি কৰে। তিনিদিনীয়া কাৰ্যসূচীৰে দাদৰা নগৰ হাভেলী তথা দমন আৰু দিউ ভ্ৰমণলৈ যোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে আজি কেন্দ্ৰীয় শাসিত অঞ্চলটোত ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে অঞ্চলটোৰ পৰ্যটন, শিক্ষা আৰু ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ প্ৰশাসনে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। ৰাষ্ট্ৰপতিগৰাকীয়ে উন্নত ভাৰতবৰ্ষৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ গাঁওসমূহৰ উন্নয়নৰ বিষয়ত গুৰুত্ব আৰোপ কৰাৰ লগতে জনজাতীয় সম্প্ৰদায়ৰ কল্যাণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাৰ বিষয়টো দোহাৰে।

ইয়াৰ পূৰ্বে শ্ৰীমতী মুৰ্মুৱে ছিলভাছাত থকা নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰে। আজিৰ কাৰ্যসূচীত ৰাষ্ট্ৰপতিয়ে ডিউত থকা আই এন এছ খুক্‌ৰি স্মাৰকো পৰিদৰ্শন কৰিব।

০০০০০০

অসমৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই  বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সুকলমে চলি আছে। আজি পুৱা সাত বজাত ফৰকাল বতৰত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰথমে সেৰেঙা আছিল যদিও সময় আগবঢ়াৰ লগে লগে বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা গৈছে। দিনৰ ১ বজালৈকে পাঁচটা সমষ্টিত ৫০ শতাংশৰো অধিক ভোটদান হৈছে বুলি গুৱাহাটীত নিৰ্বাচন আয়োগৰ সূত্ৰই জনাইছে। দিনৰ ১ বজালৈকে চামগুৰি সমষ্টিত ৫১ দশমিক ২ শতাংশ, চিদলীত ৪৯ দশমিক ৮ - ২ শতাংশ ভোটদান হৈছে। আনহাতে, দিনৰ চাৰে ১১ বজালৈকে বঙাইগাঁও সমষ্টিত ৫০ দশমিক ৩ - ২ শতাংশ,  বিহালীত ৫৫ দশমিক ছয় - ০ শতাংশ আৰু ধলাই বিধানসভা সমষ্টিত ৪৪ দশমিক শূন্য - ৫ শতাংশ ভোটদান সম্পন্ন হৈছে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। আনহাতে,  চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম ঠুনুকুবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। ভোটগ্ৰহণ বিয়লি ৫ বজালৈকে চলিব। এতিয়ালৈকে কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি আমালৈ অহা নাই। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত বৰ্তমান ভোটগ্ৰহণ চলি আছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি মন্ত্ৰালয়ে কাইলৈৰ পৰা ওড়িষাৰ ভুৱনেশ্বৰত দুদিনীয়া চিন্তন শিবিৰৰ আয়োজন কৰিছে। এই শিবিৰত ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তি উৎপাদনৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'ব পৰাকৈ কৌশল গ্ৰহণ কৰা তথা ২০৪৭ চনৰ ভিতৰত এহেজাৰ ৮০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যৰ সৈতে জড়িত বিষয়ৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হ'ব। নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই অনুষ্ঠান উদ্বোধন কৰিব। এই দপ্তৰৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েছো নায়ক আৰু ওড়িষাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিৰ লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াইও ইয়াত ভাষণ দিব।

উল্লেখযোগ্য যে এই চিন্তন শিবিৰত দেশৰ আগশাৰীৰ বিত্তীয় প্ৰতিষ্ঠান উদ্যোগ আদিৰ মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি নেতৃস্থানীয় ব্যক্তিসকলৰ লগতে দেশৰ নৱীকৰণযোগ্য শক্তিখণ্ডৰ সৈতে সক্ৰিয়ভাৱে জড়িত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলেও অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে অনুষ্ঠিত হৈছে। ঝাৰখণ্ডৰ ১৫ খন জিলাৰ ৪৩ টা সমষ্টিত চলি থকা এই ভোটগ্ৰহণ সন্ধিয়া ৫ বজাত অন্ত পৰিব। আনহাতে, ১৩ টা সমষ্টিৰ ৯৫০ টা স্পৰ্শকাতৰ ভোটকেন্দ্ৰত বিয়লি ৪ বজাত ভোটগ্ৰহণ অন্ত পৰিব। ৰাজ্যখনৰ ১ কোটি ৩৭ লাখ ভোটদাতাই ৭৩ গৰাকী মহিলা প্ৰাৰ্থীৰ লগতে মুঠ ৬৮৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজেপিৰ চম্পাই চোৰেন, ৰাজ্যসভাৰ সাংসদ তথা জে এম এমৰ প্ৰাৰ্থী মহুৱা মাঝি, কংগ্ৰেছৰ ৰামেশ্বৰ ওৰাওঁ, জে ডি ইউৰ সৰযু ৰায় আৰু এ জে এছ ইউৰ লাল মাহাটো অন্যতম। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবিকুমাৰে ভোটদাতাসকলক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনাইছে।

আমাৰ সংবাদদাতাই জনাইছে যে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত  বিভিন্ন প্ৰান্তত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ২০০ টা কোম্পানী নিয়োজিত কৰা হৈছে। আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে। উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, ছত্তিশগড় আৰু ওড়িশাৰ সীমান্তৱৰ্তী এলেকাসমূহত যুটীয়া অভিযান আৰম্ভ কৰা হৈছে। সম্ভাব্য যিকোনো পৰিস্থিতিৰ জোৰা মৰাৰ বাবে হেলিকপ্তাৰ সাজু কৰি ৰখা হৈছে।

০০০০০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে আজি জাপান মাষ্টাৰ্ছ ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগতাৰ মহিলাৰ ৰাউণ্ড অব্ ছিংগলছত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বী বুছানন অংবামৰুংফানক ২১-১২, ২১-৮ পইণ্টত পৰাস্ত কৰে। ইপিনে, আজি অনুষ্ঠিত হ'বলগা  পুৰুষৰ ছিংগলছত ভাৰতৰ লক্ষ্য সেন মালয়েছিয়াৰ লিয়ন জুন হাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগিড়ত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ হকী প্ৰতিযোগিতাত থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰি বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। প্ৰতিযোগিতাত আজি হ'বলগীয়া আন দুখন খেলৰ ভিতৰত দক্ষিণ কোৰিয়া দুপৰীয়া ১২ বাজি ১৫ মিনিটত মালয়েছিয়াৰ সন্মুখীন হ'ব। ইপিনে, চীন দিনৰ ২ বাজি ৩০ মিনিটত হ'বলগীয়া আন এখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰতে কালি প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দক্ষিণ কোৰিয়াক ৩-২ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ দীপিকা কুমাৰীয়ে দুটা আৰু সংগীতা কুমাৰীয়ে এটা গ'ল দিয়ে। কোৰিয়াৰ হৈ অধিয়ানক ছিয়ন উনবি আৰু লী য়ুৰিয়ে একোটাকৈ গ'ল দিয়ে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

ooooooo

সমাপ্ত